**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-06-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***
***HEADLINES***
**-----------------------------**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দিব।

২। বিজেপিৰ প্ৰবীণ নেতা লালকৃষ্ণ আদৱানীক দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, এইমছত ভৰ্তি কৰোৱা হৈছে।

৩। নাছাৰ মহাকাশচাৰী সুনিতা উইলিয়ামছ আৰু বুট্‌ছ উইলম'ৰ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত আবদ্ধ হৈ আছে।

৪। হকী ইণ্ডিয়াই আসন্ন পেৰিছ অলিম্পিকৰ বাবে ১৬ জনীয়া ভাৰতীয় হকী দলৰ নাম ঘোষণা কৰিছে।

আৰু

৫। ভাৰত আজি গায়ানাত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দিব। ৰাষ্ট্ৰপতিৰ ভাষণৰ পাছত লোকসভা আৰু ৰাজ্যসভাত ধন্যবাদসূচক প্ৰস্তাৱ দাখিল কৰা হ'ব আৰু এই প্ৰস্তাৱক লৈ আলোচনা হ'ব। অষ্টাদশ লোকসভাৰ প্ৰথম অধিৱেশণ যোৱা সোমবাৰে আৰম্ভ হৈছে আৰু ৰাজ্যসভাৰ অধিৱেশণ আজি আৰম্ভ হ'ব।

ooooooo

বিজেপিৰ প্ৰবীণ নেতা লালকৃষ্ণ আদৱানীক দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, এইমছত ভৰ্তি কৰোৱা হৈছে। বাৰ্ধক্যজনিত সমস্যাৰ বাবে নেতা গৰাকীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ৯৬ বছৰীয়া শ্ৰী আদৱানীক অখিল এইমছৰ বাৰ্ধক্যজনিত ৰোগৰ বিশেষ চিকিৎসকৰ নিৰীক্ষণত ৰখা হৈছে। এইমছৰ বিষয়াই প্ৰকাশ কৰা মতে প্ৰবীণ নেতাগৰাকীৰ অৱস্থা বৰ্তমান সুস্থিৰ হৈ আছে আৰু তেওঁ চিকিৎসকৰ তদাৰকত ৰখা হৈছে।

ooooooo

নতুন ফৌজদাৰী আইন ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ পহিলা জুলাইৰ পৰা প্ৰযোজ্য হ'ব। সংসদৰ শীতকালীন অধিবেশনৰ সময়ত এই বিধেয়ককেইখন গৃহীত হৈছে। নতুন আইন তিনিখন ভাৰতীয় নাগৰিকৰ সৰলীকৰণৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব। সকলোৰে বাবে সুলভ, সহায়ক আৰু দক্ষ ন্যায় ব্যৱস্থা গঢ়ি তোলাই এই আইনকেইখনৰ মূল

উদ্দেশ্য। নতুন ফৌজদাৰী আইনকেইখনৰ ঘাই ব্যৱস্থাসমূহৰ ভিতৰত ঘটনাৰ অনলাইন অৱগতকৰণ, যিকোনো আৰক্ষী থানাত এজাহাৰ ৰুজু কৰা আৰু ঘটনাৰ বলি হোৱাসকলক এজাহাৰৰ প্ৰতিলিপি প্ৰদান কৰা অন্যতম। ইয়াৰ উপৰি কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰিলে তেওঁৰ নিজৰ স্থিতিৰ বিষয়ে পচন্দৰ ব্যক্তিক জনোৱাৰ অধিকাৰ থাকিব। নতুন আইন তিনিখনত লগতে মহিলা আৰু শিশুৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ তদন্তত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। এনে ধৰণৰ গোচৰ এজাহাৰ ৰুজু হোৱাৰ দুমাহৰ ভিতৰত সমাধান কৰিব লাগিব।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি কয় যে চৰকাৰে ভাৰতক এখন ড্ৰাগছমুক্ত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতিৰে দৃঢ়ভাৱে কাম কৰি আছে আৰু চৰকাৰ এই লক্ষ্যত উপনীত হোৱাৰ দিশত আগবাঢ়িছে। সামাজিকতা মাধ্যমত লিখা এটা পোষ্টত শ্ৰীশ্বাহে কয় যে চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে যুঁজত 'তলৰ পৰা ওপৰলৈ আৰু ওপৰৰ পৰা তললৈ পদ্ধতি'ৰ সৈতে সমন্বয়েৰে আগবাঢ়িছে। তেওঁ কয় যে ড্ৰাগছৰ বিৰুদ্ধে 'শূন্য সহনশীলতা' নীতিৰ অধীনত ড্ৰাগছ আসক্তি সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে ড্ৰাগছ কেৱল ব্যক্তিৰ বাবেই নহয়, সমাজ আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বাবেও এক প্ৰত্যাহ্বান। তেওঁ লগতে কয় যে 'ড্ৰাগছ মুক্ত ভাৰত' গঢ়ি তোলাটো চৰকাৰৰ প্ৰধান অগ্ৰাধিকাৰসমূহৰ ভিতৰত অন্যতম।

০০০০০০০

কোম্পানী পৰিক্ৰমা মন্ত্ৰালয়ে তদন্তত বাইজু'ছক আৰ্থিক জালিয়াতিৰ পৰা মুক্ত কৰা হৈছে বুলি একাংশ সংবাদ মাধ্যমে শেহতীয়াকৈ প্ৰকাশ কৰা বাতৰি খণ্ডন কৰিছে। মন্ত্ৰালয়ে এনে প্ৰতিবেদন ভুল আৰু বিভ্ৰান্তিকৰ বুলি স্পষ্ট কৰি দিছে। কোম্পানী আইনৰ অধীনত আৰম্ভ কৰা তদন্ত এতিয়াও চলি আছে বুলি উল্লেখ কৰি মন্ত্ৰালয়ে কৈছে যে বৰ্তমান এই বিষয়ত কোনো চূড়ান্ত সিদ্ধান্ত লোৱা উচিত নহয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ'বলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

নাছাৰ মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুটচ উইলম ’ৰ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ , আই এছ এছত আবদ্ধ হৈ আছে। অভিযন্তাসকলে তেওঁলোকক পুনৰ পৃথিৱীলৈলৈ আহিব পৰা বয়িং ষ্টাৰলাইনাৰ মহাকাশযানখন ঠিক কৰাৰ কাম অব্যাহত ৰাখিছে। বিগত ৬ জুনত মহাকাশ কেন্দ্ৰটোত উপস্থিত হোৱা মহাকাশচাৰীসকলে তাত আঠ দিন কটোৱাৰ কথা আছিল। কেন্দ্ৰটোলৈ যাত্ৰাৰ বাটত মহাকাশযানখনত থকা হিলিয়াম ব্যৱস্থাত এটা সূক্ষ্ম আঁসোৱাহ দেখা গৈছিল। মহাকাশ কেন্দ্ৰটোত উপস্থিত হোৱাৰ পৰা বিশ দিনৰ পাছতো নাছা আৰু বয়িং কৰ্তৃপক্ষই এই বিসংগতিৰ মেৰামতি কৰি আছে। বয়িঙৰ এগৰাকী মুখপাত্ৰই জনোৱা অনুসৰি মহাকাশযানখনৰ পূৰ্বে বন্ধ হৈ থকা পাঁচটা থ্ৰাষ্টাৰৰ ভিতৰত চাৰিটা বৰ্তমান স্বাভাৱিকভাৱে চলি আছে। আমেৰিকাৰ মহাকাশ সংস্থাটোৰ মতে মহাকাশযানখনক অভিযানৰ শেষৰ কামসমূহ সম্পূৰ্ণ কৰিবলৈ সাত ঘণ্টা সময়ৰ প্ৰয়োজন হয় আৰু মহাকাশ কেন্দ্ৰটোৰ পৰা ওভটনি যাত্ৰাৰ পাতনি মেলাৰ পাছত উৰণৰ কাৰ্যকলাপ সম্পূৰ্ণ কৰাৰ বাবে বৰ্তমান ইয়াৰ টেংকত ৭০ ঘণ্টাৰ বাবে পৰ্যাপ্ত পৰিমাণৰ হিলিয়াম বাকী আছে।

0000000

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ’ বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ’ প্ৰেৰণৰ অন্তিম দিন ২৮ জুনৰ সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ’ব।

আকাশবাণী গুৱাহাটীয়ে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি শ্ৰোতাসকলক তেওঁলোকৰ পুৰণি ৰেডিঅ’ ছেট আনৰ আগতো প্ৰদৰ্শন কৰাৰ সুযোগ দিব বিচাৰিছে। এই সুযোগ গ্ৰহণ কৰাৰ বাবে কমেও ৩০ বছৰ পুৰণি আপোনাৰ ৰেডিঅ’টিৰ এখন ফটো, গৰাকীৰ নাম, ক্ৰয় কৰাৰ বৰ্ষ আৰু যোগাযোগৰ নম্বৰসহ 60035-40566 WHATSAPP নম্বৰ আৰু AIRGHY@GMAIL.COM ই-মেইল আইডি লৈ ২৮ জুনৰ পূৰ্বে পোৱাকৈ পঠিয়াব পাৰে। নিৰ্বাচিত তিনিগৰাকী অংশগ্ৰহণকাৰীক পুৰস্কৃত কৰা হ’ব।

0000000

হকী ইণ্ডিয়াই ২৬ জুলাইৰ পৰা ১১ আগষ্টলৈ হ ’বলগীয়া চলিত বৰ্ষৰ পেৰিছ অলিম্পিকৰ হকীত ভাগ লোৱাৰ বাবে কালি ভাৰতীয় পুৰুষ দলৰ ১৬ গৰাকী সদস্যৰ নাম ঘোষণা কৰে। প্ৰথমবাৰৰ বাবে অলিম্পিকত ভাগ ল'বলগীয়া ৫ গৰাকী খেলুৱৈ থকা দলটোৰ অধিনায়কৰ দায়িত্ব হৰমনপ্ৰীত

সিঙক দিয়া হৈছে। তাৰকা মিডফিল্ডাৰ হাৰ্দিক সিঙক দলৰ সহ-অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

হকী ইণ্ডিয়াৰ ঘোষণা অনুসৰি দলৰ বাকী সদস্যসকল হ 'ল- পি আৰ শ্ৰীজেশ , জাৰ্মানপ্ৰীত সিং, অমিত ৰোহিদাস, সুমিত, সঞ্জয়, ৰাজ কুমাৰ পাল , ছমশ্বেৰ সিং, মনপ্ৰীত সিং, বিবেক সাগৰ প্ৰসাদ, অভিষেক, সুখজীত সিং, ললিত কুমাৰ উপাধ্যায়, মনদ্বীপ সিং আৰু গুৰজন্ত সিং। ইয়াৰ উপৰি গ'লৰক্ষক কৃষণ বাহাদুৰ পাঠক, মিডফিল্ডাৰ নীলকান্ত্ শৰ্মা আৰু ডিফেণ্ডাৰ যুগৰাজ সিঙক দলত বিকল্প খেলুৱৈ হিচাপে স্থান দিয়া হৈছে।

পেৰিছ অলিম্পিকত ভাৰতক যোৱাবাৰৰ বিজয়ী বেলজিয়াম , অষ্ট্ৰেলিয়া, আৰ্জেণ্টিনা, নিউজিলেণ্ড, আৰু আয়াৰলেণ্ডৰ সৈতে পুল বিত স্থান দিয়া হৈছে। কোৱাৰ্টাৰ ফাইনেললৈ অগ্ৰসৰ হ 'বৰ বাবে ভাৰতে পুল পৰ্যায়ত শীৰ্ষ চাৰিটা দলৰ ভিতৰত স্থান নিশ্চিত কৰিব লাগিব।

ইপিনে পুল এত নেদাৰলেণ্ডছ , জাৰ্মানী, ব্ৰিটেইন, স্পেইন, দক্ষিণ আফ্ৰিকা আৰু আয়োজক দেশ ফ্ৰান্সক স্থান দিয়া হৈছে। প্ৰতিযোগিতাত মুঠ ১২টা দলে অংশগ্ৰহণ কৰিছে।

ভাৰতে অহা মাহৰ ২৭ তাৰিখে নিউজিলেণ্ডৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। ভাৰত ২৯ জুলাইত আৰ্জেণ্টিনা, ৩০ জুলাইত আয়াৰলেণ্ড , পহিলা আগষ্টত বেলজিয়াম আৰু ২ আগষ্টত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

অলিম্পিকত ভাৰতীয় পুৰুষ হকী দলৰ সোণালী ইতিহাস আছে। ভাৰতে পুৰুষৰ হকীত এই পৰ্যন্ত ৮টা সোণ, ১টা ৰূপ আৰু ৩টা ব্ৰঞ্জ সহ মুঠ ১২টা অলিম্পিক পদক লাভ কৰিছে।

0000000

আফগানিস্তান আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেল ত্ৰিনিদাদৰ ব্ৰায়নলাৰা ষ্টেডিয়ামত ইতিমধ্যে আৰম্ভ হৈছে। খেলখনত আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আমালৈ বাতৰি অহাৰ পৰলৈকে ১০ অভাৰত ৮টা উইকেট হেৰুৱাই ৫০ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

আনহাতে, ভাৰত আজি গায়ানাত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন শনিবাৰে বাৰবাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত হ'ব।

0000000

সমাপ্ত